**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-09-2025 **Time :** 1340Hrs.

**Assamese Midday Bulletin**

# Headlines

০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৱনগৰত আয়োজিত **সমুদ্ৰ সে সমৃদ্ধি** অনুষ্ঠানত ৩৪ হাজাৰ ২০০ কোটিতকৈও অধিক ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

২। অসমৰ সংগীত জগতৰ উজ্বল নক্ষত্ৰ, অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নশ্বৰ দেহ কাইলৈ অসমলৈ অনা হ'ব।

৩। সংগীত শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে কাইলৈ আৰু পৰহিলৈ হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে।

৪। ভাৰতৰ সাত্বিকসাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুঁটীটোৱে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া ছুপাৰ-ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত শ্ৰীলংকা আৰু বাংলাদেশ মুখামুখি হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৱনগৰত আয়োজিত **সমুদ্ৰ সে সমৃদ্ধি** অনুষ্ঠানত ৩৪ হাজাৰ ২০০ কোটিতকৈও অধিক ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ৭ হাজাৰ ৮০০ কোটি টকাতকৈও অধিক ব্যয়ৰ সামুদ্ৰিক প্ৰকল্পও ইয়াত অন্তৰ্ভুক্ত হৈ আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বন্দৰ, জাহাজ পৰিবহণ মন্ত্ৰালয়ৰ ৬৬ হাজাৰ কোটিতকৈও অধিক ব্যয় সাপেক্ষে ২১ খন বুজাবুজিৰ চুক্তি ভাৰ্চুৱেল মাধ্যমেৰে উৎসৰ্গা কৰে। অনুষ্ঠানত ভাষণ দি বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে দেশৰ সামুদ্ৰিক খণ্ডত বিগত ১১ বছৰত ব্যাপক ইতিবাচক পৰিৱৰ্তন পৰিলক্ষিত হৈছে। এই পৰিৱৰ্তনত বন্দৰ খণ্ডৰ যথেষ্ট বৰঙণি আছে বুলি তেওঁ মত প্ৰকাশ কৰে। দেশত বন্দৰ খণ্ডৰ সামৰ্থ্য দুগুণ

হোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে বয়-বস্তু সৰবৰাহ কৰাৰ ক্ষেত্ৰতো অভিলেক সৃষ্টি হৈছে। দেশত জলপথ খণ্ডতো বিকাশ পৰিলক্ষিত হোৱা বুলি তেওঁ কয়।

ইয়াৰ পূৰ্বে ভাৰ নগৰত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিমান বন্দৰৰ পৰা জৱাহৰ গ্ৰাউণ্ডলৈ এটা বিশাল ৰ'ড শ্বোত অংশগ্ৰহণ কৰে।

০০০০০০০

অসমৰ সংগীত জগতৰ উজ্বল নক্ষত্ৰ, অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষা ইতিমধ্যে সম্পন্ন হৈছে। শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ ভাৰতৰ ৰাষ্ট্ৰদূত তথা ছিংগাপুৰত উপস্থিত থকা জুবিন গাৰ্গৰ বন্ধুবৰ্গৰ হাতত অৰ্পণ কৰা হৈছে। এতিয়া শিল্পীগৰাকীৰ নশ্বৰ দেহ দিল্লীলৈ অনাৰ ব্যৱস্থা কৰা হৈছে আৰু দিল্লীৰ পৰা তেওঁৰ বাসগৃহলৈ অনা হ'ব। পৰিয়ালবৰ্গৰ সৈতে কিছু সময় কটোৱাৰ পাছত সৰুসজাইত শিল্পীগৰাকীৰ নশ্বৰ দেহ ৰখাৰ ব্যৱস্থা কৰা হ'ব। জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ ৰাখিবলগীয়া ষ্টেডিয়ামখনৰ সামগ্ৰিক ব্যৱস্থাপনা নিৰীক্ষণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে।

-বাইট-

তেওঁ কয়, যে ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ ঘোষণা কৰিছে। নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা তদন্তৰ আওতালৈ আহিব বুলি ড০ শৰ্মাই মন্তব্য কৰে। তেওঁ কয়, যে শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে একাধিক এজাহাৰ দাখিল কৰা হৈছে আৰু এই এজাহাৰসমূহ চি আই ডিলৈ হস্তান্তৰ কৰিবলৈ আৰক্ষী সঞ্চালক প্ৰধানক নিৰ্দেশ দিয়া হৈছে। পুংখানুপুংখ তদন্তৰ বাবে এটা সংহত গোচৰ ৰুজু কৰিবলৈ কোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

তেওঁ লগতে কয়, যে নশ্বৰদেহ অসমলৈ অনাৰ পাছতহে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান চূড়ান্ত কৰা হ'ব।

ইপিনে জুবিন গাৰ্গৰ সৈতে সাগৰলৈ সাঁতুৰিবলৈ যোৱা অসম এছ'চিয়েছনৰ ১১ জন সদস্য আৰু জুবিনৰ দলৰ ৪ জন সদস্যক অসম আৰক্ষীয়ে সোধা-পোছা কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিদ্যালয়সমূহত আজিৰে পৰা হ'বলগীয়া ছমহীয়া পৰীক্ষা পিছুৱাই দিয়া হৈছে। শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া নোহোৱা পৰ্যন্ত পৰীক্ষা পিছুৱাই দিবলৈ বিদ্যালয়ৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াক নিৰ্দেশ দিয়া হৈছে।

০০০০০০০০

সংগীত শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে কাইলৈ আৰু পৰহিলৈ হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে। আয়োগে প্ৰকাশ কৰা মতে, কাইলৈ হ'বলগীয়া মীন বিভাগৰ অধীনৰ কনিষ্ঠ অভিযন্তা পদৰ পৰীক্ষা স্থগিত ৰখা হৈছে। একেদৰে, পৰহিলৈ হ'বলগীয়া কৃষি বিভাগৰ অধীনৰ কৃষি উন্নয়ন বিষয়া পদৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া ২৫ আৰু ২৬ ছেপ্তেম্বৰলৈ পিছুৱাই দিয়া হৈছে। মীন বিভাগৰ অধীনৰ কনিষ্ঠ অভিযন্তা পদৰ পৰীক্ষাৰ দিন পৰৱৰ্তী পৰ্য্যায়ত ঘোষণা কৰা হ'ব।

০০০০০০০

অসমবাসীৰ হিয়াৰ আমঠু, জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰে বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানতো প্ৰভাৱ পেলাইছে। জুবিন গাৰ্গৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত কালি বিয়লিৰ পৰা হঠাৎ ৰাজনৈতিক

দলসমূহৰ প্ৰচাৰ অভিযান স্তব্ধ হৈ পৰে। জুবিনৰ মৃত্যুৰ বাতৰি লাভ কৰাৰ পাছতে বিজেপি আৰু কংগ্ৰেছে বাকী থকা নিৰ্বাচনী প্ৰচাৰ বাতিল কৰাৰ কথা ঘোষণা কৰে।

অৱশ্যে কালি আগবেলা বিজেপি, কংগ্ৰেছ, ইউ পি পি এল আৰু বিপিএফকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই নিজৰ দলৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন স্থানত শেষ পৰ্যায়ৰ প্ৰচাৰ অভিযানত ভাগ লয়। বিজেপিৰ হৈ দলটোৰ শীৰ্ষ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কোকৰাঝাৰৰ ছালাকাটি পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী কবিতা বসুমতাৰী আৰু চিৰাং জিলাৰ সুভাইজাৰ পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী প্ৰভাত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে বাক্সা জিলাৰ মথনগুৰি আৰু শালবাৰী পৰিষদীয় সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়।

বাক্সা জিলাৰ ককলাবাৰীত কালি ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱেও দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সভাত ভাগ লয়। তেওঁ জিলাখনৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ ইউ পি পি এল দলৰ প্ৰাৰ্থী মণ্টু বড়োৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

চিৰাং জিলাৰ কাজলগাওঁ পৰিষদীয় সমষ্টিৰ হাশ্ৰাওবাৰীত তৃণমূল কংগ্ৰেছৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অকালতে মৃত্যু ঘটা জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।

0000000

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আমাৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংবাদদাতা কেইগৰাকীৰ লগতে বিটিচিৰ ভোটগ্ৰহণ কেন্দ্ৰ থকা বিশ্বনাথ জিলাৰ সংবাদদাতাগৰাকীয়েও অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই আলোচনাত  সাংবাদিক অৰূপ শাণ্ডিল্যইও ষ্টুডিঅ'ৰ পৰা আমাৰ সংবাদদাতাসকলৰ সৈতে আলোচনাত ভাগ ল'ব।

0000000

সেৱা আৰু সু-শাসনৰ মন্ত্ৰৰে পৰিচালিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। আজি আমি মোদী চৰকাৰে কিদৰে গোলকীয় পৰ্য্যায়ত স্বাস্থ্য ব্যৱস্থা শক্তিশালী কৰি জনসাধাৰণৰ বাবে গুণগত স্বাস্থ্য সেৱা সহজলভ্য কৰি তুলিছে সেই বিষয়ে প্ৰতিবেদন আগবঢ়াইছোঁ।

<u>প্ৰতিবেদন</u>

বিগত ১১ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰগতিশীল নেতৃত্বত  ভাৰতৰ স্বাস্থ্য ব্যৱস্থাত আমূল পৰিৱৰ্তনৰ সূচনা হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰে স্বাস্থ্য ব্যৱস্থা সুদৃঢ় কৰি তোলাৰ উদ্দেশ্যে ২০১৮ চনতে বিশ্বৰ সৰ্ববৃহৎ স্বাস্থ্য বীমা কাৰ্য্যসূচী আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা মুকলি কৰিছে। এই আঁচনিৰ অধীনত প্ৰতিটো পৰিয়ালক বছৰি ৫ লাখ টকাৰ স্বাস্থ্য বীমাৰ সুবিধা প্ৰদান কৰা হয়। দেশৰ ৪০ শতাংশ দুখীয়া জনসাধাৰণক লক্ষ্য কৰি ৰূপায়ণ কৰা এই আঁচনিৰ অধীনত বৰ্তমানলৈকে ১২ কোটি পৰিয়ালক সামৰি লোৱা হৈছে আৰু ইয়াৰ পৰা প্ৰায় ৫৫ কোটি লোক উপকৃত হৈছে। যোৱা বছৰ ২৯ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আয়ুষ্মান ৱয় বন্দনা যোজনাত ৭০ বছৰৰ উৰ্ধৰ সকলো জ্যেষ্ঠ নাগৰিকক সামৰি লোৱাৰ বাবে আয়ুষ্মান

ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ সম্প্ৰসাৰণৰ কথা ঘোষণা কৰে। পঞ্জীয়নৰ বাবে অকল আধাৰ নম্বৰৰ প্ৰয়োজন হোৱা এই যোজনাই ৭০ বছৰৰ ঊৰ্ধ্বৰ জ্যেষ্ঠ নাগৰিকৰ বাবে সহজ আৰু সুলভ স্বাস্থ্য সেৱা সুনিশ্চিত কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্যদৰ্শী নেতৃত্বত চৰকাৰে সৰ্বাত্মক স্বাস্থ্য যতন ব্যৱস্থা গঢ়ি তোলাৰ বাবে সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস নীতি সফলভাৱে ৰূপায়ণ কৰিছে।

0000000

জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ পৰিপ্ৰেক্ষিতত আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাতৰ বিষয় সলনি কৰা হৈছে। অনুষ্ঠানত আজি জুবিন গাৰ্গৰ জনপ্ৰিয়তা আৰু দেহাৱসানে আনি দিয়া শূন্যতা সম্পৰ্কে আলোচনা কৰা হ'ব। অনুষ্ঠানত চিন্ময়ী গোস্বামী আৰু ভাস্কৰ জ্যোতি আচাৰ্য্যই অংশগ্ৰহণ কৰিব। ইয়াত আমাৰ সংবাদদাতাসকলেও যোগ দিব। অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। পূৰ্বতে বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আজিৰ দৃষ্টিপাতত আলোচনা কৰাৰ কথা আছিল।

0000000

ভাৰতৰ সাত্ত্বিকসাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোৱে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। অষ্টম বাছনিপ্ৰাপ্ত ভাৰতীয় যুটীটোৱে আজি চীনৰ ৰেন জিয়াং য়ু আৰু শ্বি হাওনানৰ যুটীটোক ২১-১৪, ২১-১৪ পোনপটীয়া গেমত পৰাস্ত কৰে।

0000000

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া ছুপাৰ-ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত শ্ৰীলংকা আৰু বাংলাদেশ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে ছুপাৰ-ফ'ৰ পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰিছে। অহা দেওবাৰে ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, যোৱা নিশা আবু ধাবিৰ শ্বেইখ জায়েদ ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ অন্তিমখন খেলত ভাৰতে ওমানক ২১ ৰানত পৰাজিত কৰে। ওমানে ১৮৯ ৰানৰ বিজয় লক্ষ্যৰে খেলা আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৬৭ ৰান কৰে। হাৰ্ডিক পাণ্ডিয়া, অৰ্শ্বদীপ সিং, হৰ্ষিত ৰাণা আৰু কুলদীপ যাদৱে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৮ উইকেটৰ বিনিময়ত ১৮৮ ৰান কৰে। দলৰ হৈ সঞ্জু ছেমছনে ৫৬ আৰু অভিষেক শৰ্মাই ৩৮ ৰানৰ বৰঙণি আগবঢ়ায়। সঞ্জু ছেমছনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

0000000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী তিনিদিনত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। মধ্য আৰু দক্ষিণ উপদ্বীপ অঞ্চলতো ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

0000000

সমাপ্ত